NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-01-2023
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

000000

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু নতুন ৰূপত সজাই তোলা বতৰ আধাৰিত শস্য বীমা আঁচনি ২০২৫-২৬ বিত্তীয় বৰ্ষ পৰ্য্যন্ত অব্যাহত ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। চৰকাৰে ডাই এমোনিয়াম ফছ্‌ফেট সাৰৰ ক্ষেত্ৰত পৰিপুষ্টি আধাৰিত ৰাজসাহায্য প্ৰতি মেট্ৰিক টনত চাৰে ৩ হাজাৰ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। ভাৰত আৰু পাকিস্তানে আজি কূটনৈতিক মাধ্যমেৰে পৰস্পৰৰ জিম্মাত থকা অসামৰিক  কয়েদী আৰু মাছমৰীয়াসকলৰ তালিকা বিনিময় কৰে।

৪। অহা ১৫ জানুৱাৰীত থলুৱাভাৱে নিৰ্মিত নীলগিৰি, চুৰট আৰু ৱাঘছিৰ নামৰ তিনিখন যুদ্ধ জাহাজক সেনা বাহিনীত অন্তৰ্ভুক্ত কৰা হ'ব।

***আৰু***

৫। ডিচেম্বৰত দেশত  ১ লাখ ৭৬ হাজাৰ কোটি টকাৰ সামগ্ৰী আৰু সেৱা কৰ সংগৃহিত হয়।

000000

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু নতুন ৰূপত সজাই তোলা বতৰ আধাৰিত শস্য বীমা আঁচনি ২০২৫-২৬ বিত্তীয় বৰ্ষ পৰ্য্যন্ত অব্যাহত ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই আঁচনিৰ বাবে আবণ্টিত ধনৰ পৰিমাণ ৬৯ হাজাৰ ৫১৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে এই আঁচনিৰ অধীনত বীমাৰ সুবিধা গ্ৰহণ কৰা খেতিয়কসকলৰ ৮৮ শতাংশ ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ আৰু ইয়াৰে ৫৭ শতাংশ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ। বিগত ৮ বছৰত আঁচনিখনৰ অধীনত খেতিয়কসকলক ১ লাখ ৭০ হাজাৰ কোটিৰো অধিক ধনৰাশি প্ৰদান কৰা হৈছে বুলি

মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৈষ্ণৱে লগতে মন্ত্ৰীসভাৰ ২০২৫ বৰ্ষৰ প্ৰথমখন বৈঠক খেতিয়কসকলৰ নামত উৎসৰ্গিত বুলি প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ডাই এমোনিয়াম ফছফেট সাৰৰ ক্ষেত্ৰত পৰিপুষ্টি আধাৰিত ৰাজসাহায্য প্ৰতি মেট্ৰিক টনত চাৰে ৩ হাজাৰ টকালৈ বৃদ্ধিত অনুমোদন দিছে। ইয়াৰ ফলত খেতিয়কসকলে বহনক্ষম মূল্যত ডাই এমোনিয়াম ফছফেট সাৰ লাভ কৰিবলৈ সমৰ্থ হ'ব। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে খেতিয়কসকলে ৫০ কিলোগ্ৰাম ওজনৰ প্ৰতি বেগত এহেজাৰ ৩৫০ টকা দৰত এই সাৰ লাভ কৰিব। এই সাৰৰ ৰাজসাহায্যৰ বাবদ আনুমানিক ৩ হাজাৰ ৮৫০ কোটি টকাৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত বোজা বহন কৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০

ভাৰত আৰু পাকিস্তানে আজি কূটনৈতিক মাধ্যমেৰে পৰস্পৰৰ জিম্মাত থকা অসামৰিক কয়েদী আৰু মাছমৰীয়াসকলৰ তালিকা বিনিময় কৰে। ২০০৮ চনত স্বাক্ষৰিত দূতাবাসৰ সৈতে যোগাযোগ ৰক্ষাৰ দ্বিপাক্ষিক চুক্তিৰ অধীনত প্ৰতি বছৰে পহিলা জানুৱাৰী আৰু পহিলা জুলাইত এই তালিকাৰ আদান-প্ৰদান কৰা হয়। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে, যে ভাৰতে ইয়াৰ জিম্মাত থকা পাকিস্তানৰ ৩৮১ গৰাকী কয়েদী আৰু ৮১ গৰাকী মাছমৰীয়াৰ নাম সদৰী কৰিছে। একেদৰে, পাকিস্তানে দেশখনৰ জিম্মাত থকা ভাৰতৰ ৪৯ গৰাকী অসামৰিক কয়েদী আৰু ২১৭ গৰাকী মাছমৰীয়াৰ তালিকা অৰ্পণ কৰিছে। ভাৰতে পাকিস্তানৰ জিম্মাত থকা কয়েদী আৰু মাছমৰীয়াৰ লগতে নিখোজ হৈ থকা ভাৰতীয় প্ৰতিৰক্ষা কৰ্মীসকলক শীঘ্ৰে মোকলাই দিবলৈ আহ্বান জনাইছে। ভাৰতে লগতে শাস্তিৰ ম্যাদ সম্পূৰ্ণ কৰা ১৮৩ গৰাকী ভাৰতীয় মাছমৰীয়া আৰু অসামৰিক কয়েদীক শীঘ্ৰে স্বদেশলৈ ঘূৰাই পঠাবলৈ পাকিস্তানক কৈছে। পাকিস্তানক দেশখনৰ জিম্মাত থকা ভাৰতৰ ১৮ গৰাকী অসামৰিক কয়েদী আৰু মাছমৰীয়াক দূতাবাসৰ সৈতে যোগাযোগ কৰাৰ সুবিধা প্ৰদান কৰিবলৈ কোৱা হৈছে বুলি বিদেশ মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০০০

বাণিজ্যিক ৰন্ধন গেছৰ দাম ১৪ টকা ৫০ পইচা হ্ৰাস কৰা হৈছে। সেই অনুসৰি, ১৯ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰটোৰ দাম এতিয়া নতুন দিল্লীত এহেজাৰ ৮০৪ টকা, মুম্বাইত এহেজাৰ ৭৫৬ টকা, কলকাতাত এহেজাৰ ৯১১ টকা আৰু চেন্নাইত এহেজাৰ ৯৬৬ টকা হ'ব। অৱশ্যে, ঘৰুৱা ৰন্ধন কাৰ্য্যত ব্যৱহৃত ১৪ কিলো ২০০ গ্ৰাম ওজনৰ চিলিণ্ডাৰৰ দাম অপৰিৱৰ্তিত হৈ থাকিব। আনহাতে, জেদ ইন্ধন বা বিমান পৰিবহণৰ টাৰ্বাইন ইন্ধনৰ মূল্য নতুন দিল্লীত ১ দশমিক ৫ শতাংশ হ্ৰাস কৰা হৈছে। সেই অনুসৰি, এই ইন্ধনৰ মূল্য প্ৰতি কিলোলিটাৰত এহেজাৰ ৪০১ টকা ৩৭ পইচা হ'ব। মুম্বাইত এই ইন্ধনৰ মূল্য ৮৫ হাজাৰ ৮৬১ টকাৰ পৰা ৮৪ হাজাৰ ৫১১ টকালৈ হ্ৰাস হৈছে। উল্লেখযোগ্য, যে ইন্ধনৰ আন্তঃৰাষ্ট্ৰীয় মূল্য মানৰ গড় আৰু বিদেশী বিনিয়োগৰ হাৰৰ ওপৰত ভিত্তি কৰি ভাৰতীয় তেল নিগম, ভাৰত পেট্ৰ'লিয়াম নিগম লিমিটেড আৰু হিন্দুস্তান পেট্ৰ'লিয়াম

নিগম লিমিটেডে প্ৰতি মাহৰ পহিলা তাৰিখে বিমান পৰিবহণৰ টাৰ্বাইন ইন্ধন তথা ৰন্ধন গেছৰ মূল্য সংশোধন কৰে।

০০০০০০

আম আদমী পাৰ্টীয়ে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰা নাই বুলি বিজেপিয়ে অভিযোগ তুলিছে। নতুন দিল্লীত আজি সাংবাদিক সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ ড০ সুধাংশু ত্ৰিবেদীয়ে কয়, যে আম আদমী পাৰ্টীয়ে আৱৰ্জনাৰ দ'ম পৰিষ্কাৰ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও দিল্লীত আৱৰ্জনাৰ দ'মৰ উচ্চতা ৮ মিটাৰ বৃদ্ধিহে পাইছে। গ্ৰীষ্মকালত দিল্লীৰ ভালেমান এলেকাত পানীৰ নাটনি হোৱা বুলিও তেওঁ অভিযোগ তোলে।

ড০ ত্ৰিবেদীয়ে কয়, যে সাম্প্ৰতিক ৰাজনীতিত সকলো ৰাজনৈতিক দল বিশ্বাসযোগ্যতাৰ সংকটৰ সন্মুখীন হৈছে। তেওঁ কয, যে বিজেপি আৰু এন ডি এই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই ধাৰণা সলনি কৰিছে আৰু ৰাজনীতিলৈ বিশ্বাসযোগ্যতা আনিছে।

০০০০০০

নৌসেনা বাহিনীয়ে অহা ১৫ জানুৱাৰীত মুম্বাইস্থিত পোতাশ্ৰয়ত থলুৱাভাৱে নিৰ্মিত নীলগিৰি, চুৰট আৰু ৰাঘছিৰ নামৰ তিনিখন যুদ্ধ জাহাজক সেনা বাহিনীত অন্তৰ্ভুক্ত কৰিব। ইয়াৰ ফলত নৌসেনা বাহিনীৰ যুদ্ধ প্ৰস্তুতি সুদৃঢ় হ'ব। জাহাজ তিনিখনৰ অন্তৰ্ভুক্তিয়ে প্ৰতিৰক্ষা আত্ম-নিৰ্ভৰশীলতা আৰু থলুৱা জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত দেশৰ অভূতপূৰ্ব প্ৰগতি প্ৰতিফলিত কৰিছে।

নীলগিৰি নামৰ জাহাজখন সহজে ৰাডাৰৰ নিৰীক্ষণলৈ নহাৰ আৰু অত্যাধুনিক সা-সুবিধাৰে সুসজ্জিত চুৰট নামৰ যুদ্ধ জাহাজখন আৰ্হি আৰু সামৰ্থ্যৰ দিশৰ পৰা যথেষ্ট উন্নত। অত্যাধুনিক বিমান পৰিবহণ সুবিধাৰে সুসজ্জিত নীলগিৰি আৰু চুৰট জাহাজ দুখনত দিন আৰু নিশাৰ ভাগত চলোৱা অভিযানৰ সময়ত বিভিন্ন ধৰণৰ হেলিকপ্তাৰ সঞ্চালনাৰ সুবিধা আছে।

ৰাঘছিৰ বিশ্বৰ বহুমুখী ডিজেল-বিদ্যুৎ চাবমেৰিণসমূহৰ অন্যতম।

০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যখনৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ সম্পাদকৰ সৈতে মুকলি বাৰ্তালাপত ভাগ লয়। এই বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ চৰকাৰখনৰ কেইবাটাও উল্লেখযোগ্য সফলতাৰ খতিয়ান দাঙি ধৰে। তেওঁ কয়, যে ৰাজ্যখনক সেউজীয়া ইন্ধনযুক্ত ৰাজহুৱা পৰিবহণ খণ্ডলৈ পৰিৱৰ্তন কৰাৰ বাবে তেওঁৰ চৰকাৰে গুৱাহাটী মহানগৰীত চলাচল কৰা বাছসমূহ বৈদ্যুতিক বাছলৈ পৰিৱৰ্তন কৰাৰ আঁচনি গ্ৰহণ কৰিছে। ২০২৬ চনৰ ভিতৰত সেউজীয়া পৰিবহণ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত অসম দেশৰ ষষ্ঠখন ৰাজ্যৰূপে পৰিগণিত হ'ব বুলি ড০ শৰ্মাই মন্তব্য কৰে। সাম্প্ৰতিক ভূটান ভ্ৰমণৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ভূটানৰ জলশক্তি ব্যৱহাৰ কৰি ১২০ মেগাৱাট ক্ষমতাসম্পন্ন দুটা জলবিদ্যুৎ প্ৰকল্প অসম চৰকাৰে নিৰ্মাণ কৰাত দেশখনৰ চৰকাৰে অনুমোদন দিছে। অসম শক্তি বিতৰণ নিগমে চলিত বিত্তীয় বছৰত ৬০ কোটি টকা লাভ অৰ্জন কৰিবলৈ সমৰ্থ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই লাভৰ ধন পৰ্যায়ক্ৰমে গ্ৰাহকসকলক ঘূৰাই দিয়াৰ বাবে ৰাজ্যখনত বিদ্যুতৰ মাচুল প্ৰতি ইউনিটত অহা এপ্ৰিল মাহৰ পৰা

ডেৰ টকাকৈ আৰু পাছত আৰু এটকাকৈ হ্ৰাস কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে। ৰাজ্য চৰকাৰে অতিৰিক্ত ঋণ লৈছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত ড০ শৰ্মাই কয়, যে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন সমানুপাতিক হিচাপেহে ৰাজ্য চৰকাৰে ঋণ লৈছে। ২০১৪ চনলৈকে থকা অসম চৰকাৰৰ ঋণ সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলে ৰাজ্যখনৰ যিকোনো এটা জনজাতীয় ভাষা শিকাটো বাধ্যতামূলক কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০

ডিচেম্বৰত দেশত সংগৃহিত সামগ্ৰী আৰু সেৱা কৰ, জি এছ টি ২০২৩ বৰ্ষৰ একেই সময়ছোৱাৰ তুলনাত ৭ দশমিক ৩ শতাংশ বৃদ্ধি পাই ১ লাখ ৭৬ হাজাৰ কোটি টকাৰো অধিক ৰাজহ সংগ্ৰহ কৰা হয়। ২০২৩ চনৰ ডিচেম্বৰত সংগৃহিত জি এছ টিৰ পৰিমাণ আছিল ১ লাখ ৬৪ হাজাৰ কোটি টকা। ডিচেম্বৰত দেশত ৩২ হাজাৰ ৮৩৬ কোটি টকাৰ কেন্দ্ৰীয় জি এছ টি আৰু ৪০ হাজাৰ ৪৯৯ কোটি টকাৰ ৰাজ্যিক জি এছ টি সংগৃহিত হয়। ইয়াৰ উপৰি এই সময়ছোৱাত ৪৭ হাজাৰ ৭৮৩ কোটি টকাৰ সংহত জি এছ টি আৰু ১১ হাজাৰ ৪৭১ কোটি টকাৰ উপকৰ সংগৃহিত হয়। নবেম্বৰত মুঠ জি এছ টি সংগ্ৰহ ৮ দশমিক ৫ শতাংশ বৃদ্ধি পাই ১ লাখ ৮২ হাজাৰ কোটি টকা হৈছিল।

০০০০০০

ভাৰত আৰু পাকিস্তানে আজি কূটনৈতিক মাধ্যমেৰে পৰস্পৰৰ জিম্মাত থকা অসামৰিক কয়েদী আৰু মাছমৰীয়াসকলৰ তালিকা বিনিময় কৰে। ২০০৮ চনত স্বাক্ষৰিত দূতাবাসৰ সৈতে যোগাযোগ ৰক্ষাৰ দ্বিপাক্ষিক চুক্তিৰ অধীনত প্ৰতি বছৰে পহিলা জানুৱাৰী আৰু পহিলা জুলাইত এই তালিকাৰ আদান-প্ৰদান কৰা হয়। বিদেশ মন্ত্ৰ্যালয়ে এটা বিবৃতিযোগে কৈছে, যে ভাৰতে ইয়াৰ জিম্মাত থকা পাকিস্তানৰ ৩৮১ গৰাকী কয়েদী আৰু ৮১ গৰাকী মাছমৰীয়াৰ নাম সদৰী কৰিছে। একেদৰে, পাকিস্তানে দেশখনৰ জিম্মাত থকা ভাৰতৰ ৪৯ গৰাকী অসামৰিক কয়েদী আৰু ২১৭ গৰাকী মাছমৰীয়াৰ তালিকা অৰ্পণ কৰিছে। ভাৰতে পাকিস্তানৰ জিম্মাত থকা কয়েদী আৰু মাছমৰীয়াৰ লগতে নিখোজ হৈ থকা ভাৰতীয় প্ৰতিৰক্ষা কৰ্মীসকলক শীঘ্ৰে মোকলাই দিবলৈ আহ্বান জনাইছে। ভাৰতে লগতে শাস্তিৰ ম্যাদ সম্পূৰ্ণ কৰা ১৮৩ গৰাকী ভাৰতীয় মাছমৰীয়া আৰু অসামৰিক কয়েদীক শীঘ্ৰে স্বদেশলৈ ঘূৰাই পঠাবলৈ পাকিস্তানক কৈছে। পাকিস্তানক দেশখনৰ জিম্মাত থকা ভাৰতৰ ১৮ গৰাকী অসামৰিক কয়েদী আৰু মাছমৰীয়াক দূতাবাসৰ সৈতে যোগাযোগ কৰাৰ সুবিধা প্ৰদান কৰিবলৈ কোৱা হৈছে বুলি বিদেশ মন্ত্ৰ্যালয়ে জানিবলৈ দিছে।

০০০০০০

শ্ৰীলংকাৰ নৌ সেনা বাহিনীয়ে গ্ৰেপ্তাৰ কৰা ২০ জন মাছমৰীয়াক আজি মুকলি কৰি দিয়া হয়। তেওঁলোক কলম্বোৰ পৰা বিমানেৰে আহি চেন্নাই বিমান বন্দৰত উপস্থিত হয়। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ হস্তক্ষেপৰ পৰৱৰ্তী পৰ্য্যায়ত মাছমৰীয়া কেইজনক মুকলি কৰি দিয়া হয়। উল্লেখযোগ্য, যে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ শেহতীয়া ভাৰত ভ্ৰমণকালত বিষয়টো আলোচনা কৰা হৈছিল। আন্তঃৰাষ্ট্ৰীয় জল সীমা অতিক্ৰম কৰাৰ বাবে মাছমৰীয়াকেইজনক গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০০০

সমাপ্ত